# কার্য্যকরী সারাংশ

## ১.১ প্ৰস্তাৱনা

মেচাৰ্চ মহাবলী চিমেণ্ট লিমিটেড (MCL)এ এটা সূক্ষ্ম চিমেণ্ট তৈয়াৰী ইউনিট স্থাপন কৰিম বুলি প্ৰস্তাৱ আগবঢ়াইছে। কোমপানীটোৰ প্ৰস্তাৱিত ক্ষমতা প্ৰতিদিনে 200MT (200 TPD) প্ৰস্তাৱিত ইউনিটটো অসমৰ নগাঁও জিলাৰ হোজাই মহকুমাৰ ডবকা ৰাজহচক্ৰৰ অন্তৰ্গত মদাৰতলি গাওঁ অৱস্থিত। ক্ৰাচিং, ষ্টোৰেজ, প্ৰপোৰচনিং, ৰ' মিলিং, ব্লেণ্ডিং আৰু হোমোজেনাইজিং, পেলেটাইজিংআৰু বাৰ্ণিং, ক্লিঙ্কাৰ /জিপ্চাম ক্ৰাচিং, ষ্টোৰেজ আৰু চিমেণ্ট মিলিংৰ প্ৰপোৰচনিং আৰু ষ্টোৰেজ আৰু পেকিং কৰা আদিবোৰ কোমপানীৰ কাৰ্য্যাৱলীৰ অন্তৰ্গত। প্ৰকল্পটোৰ মুঠ খৰচ ৭৮০ লাখ হব। ইয়াৰ ভিতৰত মাটি, বিল্ডিং আৰু যন্ত্ৰপাতিৰ খৰচ ৫৫৬ লাখ মান হব।

পৰিবেশৰ বিভিন্ন উপাদানসমূহ অধ্যয়ন কৰিবলৈ Rapid Environmental Impact Assessment(REIA) হাতত লবলৈ, প্ৰস্তাবিত প্ৰকল্পটোৰ পৰা উদ্ভৱ হব পৰা কুপ্ৰভাবসমূহ মূল্যায়ন কৰিবলৈ আৰু সেই প্ৰভাবসমূহ হ্ৰাস কৰিবলৈ এখন পৰিবেশ নিয়ন্ত্ৰণ আঁচনি প্ৰস্তুত কৰিবলৈ MCL এ হায়দৰাবাদৰ পৰ্য্যাবৰণ লেবৰেটৰী (ইণ্ডিয়া) লিমিটেডক নিয়োগ কৰিছে। এই আচঁনিখনে মানুহ, তেওঁলোকৰ বাসস্থান বা তেওঁলোকৰ জীৱিকা বা আন ওচৰকাষৰীয়া উন্নতিকৰণৰ কামৰ ওপৰত পৰিব পৰা সাম্ভাব্য প্ৰভাবসমূহও পৰীক্ষা কৰিব।

## ১.২ ব্যৱহাৰসমূহ (Utilities)

### ১.২.১ শক্তি (Power)ঃ

মুঠ সংযোগ কৰা লোড হ'ল ৬০০ KVএ যিটো HT সীমাৰ অন্তৰ্গত। প্ৰস্তাবিত শক্তি অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ পৰা পোৱা যাব। তথাপিও আচঁনিখনত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ নিয়মমতে 250KVAৰ এটা ডি.জি. চেট্ বহুৱাবলৈ প্ৰস্তাৱ আগবঢাইছে।

### ১.২.২ পানী (Water)ঃ-

কুলিং (ঠাণ্ডা কৰা), প্ৰশাসনীয় কামৰ বাবে মুঠতে প্ৰায় ১০০ KLD পানীৰ প্ৰয়োজন হ'ব। প্ৰস্তাবিত অঞ্চলটোত Bore well দ্বাৰা এই প্ৰয়োজন পূৰণ কৰা হব।

### ১.২.৩ মানবশক্তি (Manpower)ঃ

প্ৰশাসনীয় আৰু উৎপাদন কামকাজৰ বাবে প্ৰায় ৬০ জন নিয়মীয়া মানুহৰ প্ৰয়োজন হব।

## ১.৩ স্থান (Site)ঃ

### ১.৩.১ স্থান বাছনিঃ

প্ৰস্তাৱিত অঞ্চলটো মদাৰতলি গাওঁত অৱস্তিত আৰু ডবকা চহৰৰ পৰা ৭ কিঃ মিঃ, লংকা ৰেলৱে ষ্টেচনৰ পৰা ৮কিঃ মিঃ আৰু ৩৬নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ১ কিঃমিঃ

দূৰত অৱস্থিত । নগাঁও চহৰখন প্ৰস্তাৱিত প্ৰকল্প অঞ্চলটোৰ পৰা ২৩ কিঃমিঃ আৰু লংকা চহৰৰ পৰা ৩৫ কিঃমিঃ দূৰত অৱস্থিত ঠাইখন অসমৰ নগাওঁ জিলাৰ ডবকা ৰাজহচক্ৰৰ মদাৰতলিগাওঁত অৱস্থিত। কোমপানীয়ে ১৪৪০০$M^2$ মাটি লাভ কৰিছে ।

প্ৰস্তাবিত অঞ্চলটোত মালবস্তু /সামগ্ৰী অনা-নিয়া কৰিবলৈ ইতিমধ্যে তাত কলা চামনিৰ ৰাস্তা আছে। সাম্ভাব্য ট্ৰাকৰ চলাচলৰ বাবে এইটো উপযুক্ত বুলি কল্পনা কৰা হৈছে। মুঠ ট্ৰাক RMৰ বাবে ২৬, FGৰ বাবে ২০ প্ৰয়োজনীয় হব। মুঠতে প্ৰতিদিনে ৪৬ খন ট্ৰাক চলাচল কৰিব।

অঞ্চলটো ২৬°-১০" উত্তৰ অক্ষাংশ আৰু ৯২°-৫৪" দ্ৰাঘিমাংশত অৱস্থিত। গড় বাৰ্ষিক বৰষুণৰ মাত্ৰা ১৭৬০mm। পূৰ্বনিৰ্ধাৰিত বতাহৰ দিশ হ'ল উত্তৰ-পূব। নিস্তব্ধ পৰিৱেশ বেছিকৈ বিৰাজমান। অঞ্চলটোত শীতকালত সৰ্ব্বনিম্ন আৰু সৰ্ব্বোচ্চ তাপমান আৰু Relative Humidity ক্ৰমে ১২ $^0$Cৰ পৰা ২৯ $^0$C আৰু ৫০%ৰ পৰা ৯৩% ভিতৰত।

## ১.৭ প্ৰচেচ্ ডেচ্ক্ৰিপচন

### ১.৭.১ কেচাঁ সামগ্ৰী

| কেচাঁ সামগ্ৰী | প্ৰতিদিনৰ পৰিমাণ | উৎস |
|---|---|---|
| চূণশিল | ২৭২.০০MT | ওচৰৰ উৎস (উত্তৰ কাচাৰ পাহাৰ আৰু মেঘালয়) |
| বোকা | ৩৪.০০ MT | ওচৰ কাষৰীয়া |
| কোক ব্ৰীজ/ কয়লা | ৫০.০০ MT | ওচৰ কাষৰীয়া (অসম আৰু মেঘালয়) |
| জিপচাম্ | ০০৮.০০ MT | ওচৰ কাষৰীয়া (ভূটান আৰু ৰাজস্থান) |

### ১.৭.২ উৎপাদকৰ নিৰ্মান তৈয়াৰ কাৰ্য্য

**সংক্ষিপ্ত নিৰ্মান তৈয়াৰ কাৰ্য্য**

১. **ক্ৰাচিং চেক্সন** - কেচাঁ সামগ্ৰীবোৰ বিশেষকৈ চূণশিল, বোকা, কয়লা আদিবোৰ ভিনভিন্ ক্ৰাচাৰত গুৰি কৰা হয় আৰু আপোনা-আপুনি নিজ নিজ দ'মত জমা হয়।

২. **জমা আৰু সমতুল্য কৰা** - বিভিন্ন কেচঁা সামগ্ৰীবোৰ ইচ্ছানুসাৰে সমতুল্য কৰিবলৈ টেবল্ ফীদাৰৰ দ্বাৰা দমবোৰৰ পৰা বাছি উলিওৱা হয় আৰু কেচঁা সামগ্ৰীৰ মিলনৈ কঢ়িওৱা হয় ।

৩. **ৰ’ মিলিং** - কেচঁা সামগ্ৰীৰ মিশ্ৰণটো ৰ’ মিল (Raw Mill) উৎপাদন কৰিবলৈ বল মিলত (ball mill) ইচ্ছানুসাৰে সূক্ষ্মতাত গুৰি কৰা হয় আৰু একে জাতীয় (Homogenising) কৰিবলৈ পঠিওৱা হয় ।

৪. মিশ্ৰিত কৰা আৰু একেজাতীয় কৰা - ৰ’ মিল ব্লেন্ডিং চিলোচত (silos) হোমোজেনাইজড্ কৰা হয় আৰু জমা কৰা দমত kiln খাবৰ বাবে আপোনা-আপুনি জমা হৈ যায় ।

৫. পেলেটাইজিং আৰু বাৰ্নিং - নডোলাইজাৰত নডোউল বনোৱা হয় আৰু kilnত পুৰিবলৈ দিয়া হয় । দিচ্চাৰ্জৰ পিচত ক্লিংকাৰক গভীৰ বাকেট এলিভেটৰ (Bucket Elevator) দ্বাৰা ক্লিংকাৰ য়াৰ্ডত জমা কৰা হয় ।

৬. ক্লিংকাৰ/ জিপচাম গুৰি, জমা আৰু সমতুল্য কৰা - গুৰি কৰাৰ পিচত ক্লিংকাৰ আৰু জিপচামবোৰ হোপাৰত জমা কৰা হয় আৰু টেবুল ফিডাৰৰ দ্বাৰা প্ৰয়োজনীয় অনুপাতত এক্সেট্ৰেক্ কৰা হয় আৰু চিমেন্ট মিল হোপাৰলৈ পঠিওৱা হয় ।

৭. চিমেন্ট মিলিং - ক্লিংকাৰ আৰু জিপচামৰ মিশ্ৰণটো চিমেন্ট উৎপাদন কৰিবলৈ চিমেন্ট মিলত গুৰি কৰা হয় ।

৮. ষ্ট’ৰেজ আৰু পেকিং - চিমেন্ট চিলোচত (silos) চিমেন্টবোৰ জমা কৰা হয় আৰু চালান কৰিবলৈ বতাহযুক্ত, পৰীক্ষা আৰু পেকেট কৰা হয় ।

## ২.০ বৰ্তমানৰ পৰিৱেশৰ অৱস্থা

### ২.১ বায়ুৰ পৰিৱেশ

প্ৰকল্প স্থানত SPM ৰ মান ৬৫ আৰু ১২৬ $\mu g/m^3$ ৰ ভিতৰত আৰু RSPM ৰ মান ২৭ আৰু ৪৩ $\mu g/m^3$ ৰ ভিতৰত পোৱা গৈছে । $SO_2$ আৰু $NO_x$ ৰ মান ক্ৰমে ৮ আৰু ১২ $\mu g/m^3$ ৰ বেছি পোৱা নাই । মদাৰতলি অঞ্চলত SPM ৰ মান ৬২ আৰু ১২১ $\mu g/m^3$ ৰ ভিতৰত আৰু RSPM ৰ মান ২৫ আৰু ৪১ $\mu g/m^3$ ৰ ভিতৰত পোৱা গৈছে । $SO_2$ আৰু $NO_x$ ৰ মান ক্ৰমে ৭.৫ আৰু ১০ $\mu g/m^3$ ৰ অতিক্ৰম কৰা নাই । ভেলোগুৰি অঞ্চলত SPM ৰ মান ৭৩ আৰু ১৩৭ $\mu g/m^3$ ৰ ভিতৰত আৰু RSPM ৰ মান ৩৫ আৰু ৫৪ $\mu g/m^3$ ৰ ভিতৰত পোৱা গৈছে । $SO_2$ আৰু $NO_x$ ৰ মান ক্ৰমে ৮.৫ আৰু ১২.৫ $\mu g/m^3$ ৰ অতিক্ৰম কৰা নাই ।

চৰদাৰগাওঁ আপডউইণ্ড অঞ্চলত SPM ৰ মান ৬৭ আৰু ১৪০ $\mu g/m^3$ ৰ ভিতৰত আৰু RSPM ৰ মান ৩৬ আৰু ৫৭ $\mu g/m^3$ ৰ ভিতৰত পোৱা গৈছে । এই অঞ্চলত $SO_2$ আৰু $NO_x$ ৰ মান ক্ৰমে ৮ আৰু ১১ $\mu g/m^3$ ৰ অতিক্ৰম কৰা নাছিল। চাংমাজিগাওঁত SPM ৰ মান ৪৫ আৰু ৯৭ $\mu g/m^3$ ৰ ভিতৰত আৰু RSPM ৰ মান ২২ আৰু ৩৪ $\mu g/m^3$ ৰ ভিতৰত পোৱা গৈছে । এই অঞ্চলত $SO_2$ আৰু $NO_x$ ৰ মান ক্ৰমে ৬.০ আৰু ৭.৫ $\mu g/m^3$ ৰ ভিতৰত পোৱা গৈছে । ডবকা অঞ্চলত SPM ৰ মান ৭৮ আৰু ১৬১ $\mu g/m^3$ ৰ ভিতৰত আৰু RSPM ৰ মান ৪৫ আৰু ৬৩ $\mu g/m^3$ ৰ ভিতৰত পোৱা গৈছে । এই অঞ্চলত $SO_2$ আৰু $NO_x$ ৰ মান ক্ৰমে ১২ আৰু ১৬ $\mu g/m^3$ ৰ অতিক্ৰম কৰা নাছিল ।

## ২.২ শব্দ পৰিৱেশ

**তালিকা - অধ্যয়ন অঞ্চলত দিন-ৰাতিত শব্দৰ সমতুল্য মান**

| স্থান | শব্দৰ সমতুল্য মান | | |
|---|---|---|---|
| | দিন | ৰাতি | দিন-ৰাতি |
| ১) প্ৰকল্প অঞ্চল | ৫১ | ৪৩ | ৫২ |
| ২) মদাৰতলি | ৪৮ | ৪০ | ৪৯ |
| ৩) ভেলোগুৰি | ৫২ | ৪৪ | ৫৩ |
| ৪) চৰদাৰগাওঁ | ৫১ | ৪১ | ৫১ |
| ৫) চাংমাজিগাওঁ | ৩৫ | ২৭ | ৩৬ |
| ৬) ডবকা | ৬২ | ৫৪ | ৬৩ |
| ৭) ভগিৰামগাওঁ | ৪৯ | ৪১ | ৫০ |
| ৮) চাংমাজিপথাৰ | ৪৪ | ৩৬ | ৪৫ |
| ৯) সৰুপথাৰ | ৫০ | ৪২ | ৫১ |
| ১০) জাব্ৰাখোৱা | ৪৯ | ৪১ | ৫০ |

## ২.৩ জল পৰিৱেশ

## ২.৩.৩ পানীৰ সমানতা (Water Balance)

প্ৰতিদিনে ১০০ ঘন মিটাৰ পানীৰ প্ৰয়োজন হ'ব । এই প্ৰয়োজনীয় পানী নলী-নাদৰ (bore well) পৰা পূৰণ কৰা হ'ব । মুখ্যভাৱে পানী কুলিং (ঠাণ্ডা কৰিবলৈ) আৰু ঘৰুৱা কাৰ্য্যৰ বাবে খৰচ হ'ব । প্ৰচেচৰ পৰা কোনোধৰণৰ পেলনীয়া দূষিত পানী উৎপন্ন নহয় আৰু পেলনীয়া পানী ঘাইকৈ চেনিটেশ্বন ইউনিটৰ পৰা হয় ।

## ২.৪ ভূমি পৰিৱেশ

### ভূমিৰ পৰীক্ষণ (Soil Analysis)

ভূমিৰ পৰিৱেশ অধ্যয়নৰ বাবে মাটিৰ ভৌতঃ-ৰাসায়নিক আৰু জৈৱবৈজ্ঞানিক লক্ষণসমূহ বুজিবলৈ ৫খন গাওঁ বাছি উলিওৱা হৈছে। এই অঞ্চলৰ মাটিসমূহ ঘাইকৈ গধুৰ পলসুৱা মাটিৰে গঠিত বালিয়া পলসুৱা হিচাপে ভাগ কৰা হৈছে। প্ৰভাবসমূহ চিনাক্তকৰণৰ বাবে মাটিৰ ভৌতঃৰাসায়নিক লক্ষণসমূহ (গঠন,ছেকনি, ধনাত্মক আয়ন সলনিৰ ক্ষমতা, জৈৱ পদাৰ্থ আৰু জলীয় বাষ্প),মাটিৰ জৈবিক পেৰামিটাৰসমূহ অধ্যয়ন কৰা হৈছিল। এই অঞ্চলৰ মাটিসমূহ ঘাইকৈ বালিয়া আছিল।

সকলো ঠাইতে জলীয় বাষ্পৰ পৰিমাণ সাধাৰণতে বেছি আছিল। মাটিৰ পানী ধৰি ৰখা ক্ষমতা (Porosity) সাধাৰণতে বেছি আছিল। ৰাসায়নিক স্বভাবৰ ওপৰত ভিত্তি কৰি মাটি অলপ ক্ষাৰকীয় আৰু মাটিৰ pH ৰ মান ৮.১ৰ পৰা ৯.০ৰ ভিতৰত।

## ২.৫ অৰ্থসামাজিক পৰিৱেশ

### অৱস্থান

প্ৰকল্পৰ অঞ্চলটো মদাৰতলি গাওঁত অৱস্তিত আৰু ডবকা চহৰৰ পৰা ৭ কিঃ মিঃ, লংকা ৰেলৱে ষ্টেচনৰ পৰা ৮কিঃ মিঃ আৰু ৩৬নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ১ কিঃমিঃ দূৰত অৱস্থিত । নগাঁও চহৰখন প্ৰস্তাৱিত প্ৰকল্প অঞ্চলটোৰ পৰা ২৩ কিঃমিঃ আৰু লংকা চহৰৰ পৰা ৩৫ কিঃমিঃ দূৰত অৱস্থিত ঠাইখন অসমৰ নগাওঁ জিলাৰ ডবকা ৰাজহচক্ৰৰ মদাৰতলিগাওঁত অৱস্থিত। কোমপানীয়ে ১৪৪০০$M^2$ মাটি লাভ কৰিছে ।

প্ৰস্তাৱিত অঞ্চলটোৰ চাৰিওকাষৰীয়া ঠাই ঘাইকৈ চহৰীয়া আৰু গাওঁলীয়াৰে মিশ্ৰিত। ১০ কিঃমিঃৰ ব্যাসাৰ্ধৰ ভিতৰত থকা গাওঁসমূহৰ অৰ্থসামাজিক অৱস্থাৰ তথ্যই দেখুৱাই যে মূখ্য সুবিধাসমূহ যেনে হাস্পাতাল, শিক্ষা প্ৰতিষ্ঠান, জনসাধাৰণৰ যাতায়তৰ সুবিধা আছে।প্ৰস্তাৱিত ঋওজৰ অঞ্চলটো যমুনামুখ ৰেলৱে ষ্টেচনৰ পৰা ৮কিঃমঃ দূৰত অৱস্হিত।

## ৩.০ প্ৰতিকুল প্ৰভাবৰ ধাৰণা

### ৩.১ বায়ু পৰিবেশৰ ওপৰত পৰিব পৰা কুপ্ৰভাবৰ ধাৰণা

প্ৰস্তাৱিত MCL ইউনিটত কোনোধৰণৰ মূখ্য ষ্টেক নাই। মাত্ৰ কাৰ্য্যপ্ৰণালীৰ Vent আছে। কাৰ্য্যপ্ৰণালীৰ Vent ভিতৰত ভাটাৰ (Kiln ১২০ফুট উচ্চতাত) বাবে কেৱল এটা মাত্ৰ ষ্টেক আছে। যিহেতু কোনোধৰণৰ বয়লাৰ নাই, সেইবাবে Air Quality Simulation Model ৰ প্ৰয়োজন নাই। মাত্ৰ ধুলি জমা কৰা চিষ্টেমৰ সৈতে জড়িত Vent আছে, য'ত ধুলিবোৰ ৰিচাইকল্ড কৰা হয়। যানবাহনৰ নিৰ্গতৰ পৰা বায়ু গুনাগুনৰ ওপৰত হব পৰা কুপ্ৰভাব সামান্য যিহেতু প্ৰস্তাবিত প্ৰকলপটৰ পৰা পূৰ্বধাৰণা

কৰামতে যানবাহনৰ চলাচলৰ বৃদ্ধি (প্ৰতিদিনে ৪৬খন ট্ৰাক) সামান্য।এই নিৰ্গত গেছবোৰৰ পৰা হোৱা কুপ্ৰভাব খুউব কম দূৰত্বৰ মাজতে সীমাবদ্ধ। ওচৰৰ চহৰৰ পৰা প্ৰকল্পৰ স্হানলৈ অহা বাটপথসমুহ টাৰে(Tar) গঠিত আৰু সেইবাবে যানবাহনৰ পৰা হোৱা নিৰ্গতৰ মান নগণ্য।

জেনেৰেটৰ মাজেসময়ে ব্যৱহাৰ কৰা হয় আৰু সেইবাবে ইয়াৰ পৰা নিৰ্গত গেছবোৰৰ পৰা হোৱা কুপ্ৰভাব নগণ্য। যদি কোনো প্ৰভাব পোৱা যায় সেইবোৰ খুউব কম দূৰত্বৰ মাজতে সীমাবদ্ধ আৰু খুউব মাজে সময়ে পোৱা যায়। বৰ্তমানে থকা Ambient Air Quality Monitoring ৰ গ্ৰাউণ্ড লেভেলৰ গাঢ়তা আৰু Static Air Volume Sampling EC Reference হিচাপে লোৱা হৈছে।

## ৩.২ শব্দ পৰিৱশৰ ওপৰত পৰিব পৰা কুপ্ৰভাবৰ ধাৰণা

শব্দ উৎপন্ন হোৱা মূখ্য উৎসসমুহ হ'ল জেনৰেটৰ আৰু কম্‌প্ৰেচৰ। দুয়োটা উৎসই শব্দ প্ৰাবল্য কমাবলৈ Acoustic Proof Materialএ আবৃত থাকে। সেইবাবে শব্দৰ প্ৰভাব কম হয় ।

## ৩.৩ জল পৰিৱশৰ ওপৰত পৰিব পৰা কুপ্ৰভাবৰ ধাৰণা

প্ৰস্তাবিত MCLৰ প্ৰকল্পটোৰ প্ৰতিদিনে 100cu.m পানীৰ প্ৰয়োজন। মুঠ প্ৰয়োজনীয় পানী ফেক্টৰীৰ মূল চৌহদৰ ভিতৰৰ Bore Wellৰ দ্বাৰা পূৰণ কৰা হব। মুঠতে ঠাণ্ডা (Cooling) কৰাৰ বাবে প্ৰতিদিনে 95cu.m পানী খৰচ কৰা হয়।ঘৰুৱা ধোৱা কামৰ বাবে প্ৰতিদিনে 5cu.m পানী খৰচ কৰা হয়। কোনোধৰণৰ পেলনীয়া জাবৰ নাথাকে আৰু সেইবাবে প্ৰকল্পৰ কৰ্মকতাৰদ্বাৰা কোনোধৰণৰ Effluent Treatment Plant আশা কৰা নাই। তথাপিও পেলনীয়া পানী ধৰিবলৈ এটা চেপটিক টেংকৰ সৈতে চ'ক পিট নিৰ্মাণ কৰা হব।

প্ৰকল্প স্হানত আৰু চাৰিওকাষে ভূগৰ্ভৰ পানী আছে। প্ৰকল্পৰ স্হানত ভূগৰ্ভৰ পানী ৰিচাৰ্জ কৰিবলৈ এটা পানী জমা ৰখা খাল (Rain Water Harvesting Pit) আছে, যিটোৱে পানীৰ পৰিৱেশৰ ওপৰত ধনাত্মক প্ৰভাব দিব। Rain Water Harvesting Pitৰ বিষয়ে কমঠত আৰু বহলাই দিয়া হৈছে ।

## ৩.৪ মাটিৰ পৰিৱেশৰ ওপৰত পৰা কুপ্ৰভাৱবোৰৰ ধাৰণা

প্ৰদূষণ নিয়ন্ত্ৰণ কৰা পদ্ধতি/ব্যৱস্থাৰ পৰা উৎপন্ন হোৱা গোটা জাৱৰ যেনে বেগ ফিল্টাৰবোৰ প্ৰচেচলৈ ৰিচাইকল কৰা হব আৰু মাটিত কোনো সামগ্ৰী পেলোৱা নহব । সেইবাবে মাটিত কোনো ধৰণৰ বোজা নহব । মাটিত কোনো ধৰণৰ জুলীয়া/পনীয়া পেলনীয়া নাই ।

### ৩.৫ অৰ্থ-সামাজিক পৰিৱেশৰ ওপৰত পৰা কুপ্ৰভাৱবোৰৰ ধাৰণা

বুদ্ধিয়ক আৰু নজনা গাওঁৰ স্থানীয় লোকৰ নিয়োগৰ সুবিধাৰ বাবে ধাৰণা কৰামতে অৰ্থ-সামাজিক দিশত গাওঁবাসীৰ ওপৰত MCLৰ ধনাত্মক প্ৰভাৱ পৰিব। স্বাস্থ্য, শিক্ষাৰ সুবিধা আৰু বাট-পথৰ দ্বাৰা যোগাযোগৰ সুবিধাও উন্নতি হব যিটোৱে অৰ্থ-সামাজিক পৰিৱেশৰ ওপৰত ধনাত্মক প্ৰভাৱ পেলাব।

Green Belt Development-ৰ এক আচঁনিৰ দ্বাৰা বহু সংখ্যক গছ-গছনি ৰুই প্ৰস্তাবিত প্ৰকল্পৰ কাৰ্য্যৱলীয়ে অঞ্চলটোৰ সাধাৰণ পৰিৱেশৰ উন্নতি সাধন কৰিব, যিটোৱে অঞ্চলটোৰ সৌন্দৰ্য্যৰ মান বৃদ্ধি কৰিব। মুঠৰ ওপৰত প্ৰকল্পটোৱে স্থানীয় বাসিন্দাসকলৰ মাজত এটা সুবিধাজনক স্থান পাব আৰু প্ৰকল্পটোক অঞ্চলটোৰ উন্নতিৰ বাবে আৰ্শীবাদস্বৰূপে ধৰা হব।

## ৪.০ পৰিৱেশৰ মূল্যায়ণৰ পদ্ধতি

### ৪.৬ সকলো প্ৰভাৱৰ মূল্যায়ণ

মদাৰতলিত MCL প্ৰকল্পৰ কাৰ্য্যাৱলীৰ বাবে পৰিৱেশৰ ওপৰত পৰা মুঠ প্ৰভাৱবোৰ পৰিৱেশ বিজ্ঞানে ধনাত্মক বুলি চিনাক্ত কৰিছে। ইয়াক গ্ৰীন বেল্ট উন্নতিৰ আৰু মাটিৰ ব্যৱহাৰৰ বাবে কামত লগাইছে। পৰিৱেশ প্ৰদূষণৰ মুঠ প্ৰভাৱবোৰ ঋনাত্মক। ঋনাত্মক প্ৰভাৱবোৰ ঘাইকৈ বায়ুপ্ৰদূষকৰ মাত্ৰা সামান্য বৃদ্ধিৰ বাবে হৈছে। মানুহৰ মন থকা পেৰামিটাৰসমূহে যেনে - ভাল চাকৰিৰ সুবিধা, যাতায়ত, মেডিকেলৰ সুবিধা আদিসমূহে ধনাত্মক প্ৰভাৱবোৰক প্ৰেৰণা দিছে বুলি দেখুৱাইছে। সেইবাবে প্ৰস্তাবিত MCL প্ৰকল্পৰ  বাবে পৰা মুঠ প্ৰভাৱবোৰ ধনাত্মক।

### ৫. পৰিৱেশ নিয়ন্ত্ৰণ আচঁনি (Environment Management Plan, EMP)

পৰিৱেশ নিয়ন্ত্ৰণ আচঁনিখন কুপ্ৰভাৱবোৰ হ্ৰাস কৰিবলৈ তৈয়াৰ কৰা হৈছে। আচঁনিখনে মানুহৰ ওপৰত, তেওঁলোকৰ গৃহস্থান বা জীৱিকাৰ বা ওচৰৰ আন উন্নতিশীল কামৰ ওপৰত পৰিব পৰা  প্ৰভাৱবোৰও পৰীক্ষা কৰে।

## ৫.১ নিৰ্মাণ স্তৰ (Construction Phase)

বৰ্তমান প্ৰকল্পত নিৰ্মাণ স্তৰত পৰিৱেশ প্ৰদূষণৰ সম্ভাৱনা বেছি আৰু এই প্ৰদূষণ নিয়ন্ত্ৰণ খুউব প্ৰয়োজন।

## ৫.২ নিৰ্মাণৰ পিছৰ স্তৰ (Post Construction Phase)

### ৫.২.১ বায়ু প্ৰদূষণ

প্ৰস্তাবিত MCL প্ৰকল্পৰ পৰা বায়ু প্ৰদূষণৰ মাত্ৰা অতিনিম্ন । Ambient Air Qualityৰ সীমা কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে (CPCB) ধাৰ্য্যকৰা নিৰ্দিষ্ট মানৰ ভিতৰত আছে। এগ্জহষ্ট/ভেন্টিলেচন ফেন মূল চৌহদৰ ওপৰত ভিত্তি কৰি উপযুক্ত ভাবে বাচনি কৰা হ'ব।

### ৫.২.২ নিৰ্গমণৰ বিৰৰণ (Emission Details)

### ৫.২.২.১ নিৰ্গমণৰ উৎস

প্ৰস্তাবিত কাৰ্য্যাৱলীৰ পৰা নিৰ্গমণৰ মূখ্য উৎসসমূহ হ'ল-

১)ক্ৰাছিং ছেকচন- মুঠ ধূলি বা Suspended Particulate matter।

২)ৰ'মিল ছেকচন- মুঠ ধূলি বা Suspended Particulate matter।

৩)ক্লীন ছেকচন- Suspended Particulate matter,$SO_2$ আৰু $NO_x$।

৪)চিমেণ্ট মিল-- মুঠ ধূলি বা Suspended Particulate matter।

৫)ষ্টেণ্ডাৰ্ড পাৱাৰ চাপ্লাই- Suspended Particulate matter,$SO_2$ আৰু $NO_x$।

**বায়ু প্ৰদূষণৰ উৎস আৰু নিয়ন্ত্ৰণৰ উপায়**

প্ৰস্তাবিত সুক্ষ্ম চিমেণ্ট প্লাণ্টত উপযুক্ত প্ৰদূষণ নিয়ন্ত্ৰণ যন্ত্ৰপাতিৰ বাচনি কৰা হব যিয়ে নিৰ্গমণৰ মাত্ৰা ধাৰ্য্য কৰা মাত্ৰাতকৈ তলত নিয়ন্ত্ৰণ কৰে। প্ৰস্তাবিত চিমেণ্ট প্লাণ্টত সকলো প্ৰদূষণ নিয়ন্ত্ৰণ যন্ত্ৰপাতি এইধৰণে ডিজাইন কৰা হয় যাতে Suspended Particulate Matter-ৰ নিৰ্গমণ 50mg/Cu.mতকৈ কম হয়।

**হেমাৰ মিল** - **420 cfm (714 Cu.m/hr.) (3 H.P.)**

(মাল্টি চাইক্লোন কালেকটৰ সতে চাইক্লোন চেপাৰেটৰ বা পাল্চ জেট বেগ ফিল্টাৰ চিষ্টেম)

ৰ'মিল- 1280 cfm (2175 Cu.m/hr) (5H.P.)

ৰিভাৰ্চ পালচ্ জেট বেগ ফিল্টাৰ চিষ্টেম

চিমেণ্ট মিল- 1280 cfm (2175 Cu.m/hr) (5H.P.)

ৰিভাৰ্চ পালচ্ জেট বেগ ফিল্টাৰ চিষ্টেম

ক্লীন- 820 cfm (1393 Cu.m/hr) (7.5H.P.) আউতপুট হ'ল 100mm দিয়া চিম্নি । ইম্পিনজ্মেণ্ট প্লেট ক্ৰেবাৰচ্ সেইটো হ'ল 4000cfm টুইন ৰোটেৰী কম্প্ৰেছৰৰ সৈতে এয়াৰ ৱাটাৰ চিষ্টেম।

### ৫.২.২ শব্দ

MCLএ শব্দ অভেদ্য আৱৰণিৰে আবৃত কম্প্ৰেছৰ আৰু জেনেৰেটৰ কিনিছে।

### ৫.২.৩ জল পৰিৱেশ

### ৫.২.৩.১ পেলনীয়া পানী

প্ৰকল্পৰ কাৰ্য্যপন্থাৰ বাবে কোনোধৰণৰ পেলনীয়া পানীৰ উদ্ভৱ নহয়। চ'ক পিটৰ (Soak Pit) সৈতে জড়িত এটা চেপটিক টেংকলৈ চেপটিক আৰ্বজনা পঠিওৱা হয়।

### ৫.২.৩.২ বৰষুণ পানী জমা কৰা (Rain Water Harvesting)

মধূচ অঞ্চলৰ তথ্যসমূহৰ ওপৰত ভিত্তি কৰি ভূগৰ্ভৰ পানী চাৰ্জ কৰিবলৈ এটা বৰষুণৰ পানী জমা কৰা খাল নিৰ্মাণ কৰা হৈছে। পানী ফিল্টাৰ কৰা মাধ্যমৰ নিচিনাকৈ খালকেইটা সৰু সৰু শিলগুটি আৰু বালিৰ দ্বাৰা নিৰ্মিত।

### ৫.২.৪ গোটা আৰ্বজনাৰ নিয়ন্ত্ৰণ (Solid Waste Management)

গোটা আৰ্বজনা ঘাইকৈ প্ৰদূষণ নিয়ন্ত্ৰণ যন্ত্ৰপাতিৰ পৰা উৎপন্ন হয় যিটো অতি সামান্য কিন্তু নিৰ্দিষ্ট ডাষ্ট কালেকটৰ ৰোটেৰী ভাল্‌ভৰ তলত থকা কণ্টেইনাৰ কেইটা ভৰ্তি হোৱাৰ পাছত নিৰ্দ্ধাৰিতভাৱে ৰিচাইক্‌ল্ড কৰা হয়।

### ৫.৩ গ্ৰীন বেল্ট উন্নতিকৰণ

MCLৰ কৰ্মকৰতাই পৰিৱেশ বৰ্তাই ৰাখিবলৈ প্লাণ্টৰ চাৰিওকাষে গ্ৰীন বেল্ট উন্নতিকৰণৰ বাবে আচঁনি কৰিছে। শব্দ প্ৰদূষণ নিয়ন্ত্ৰণ, পৰিৱেশৰ ভাৰসাম্যতা ৰক্ষা, মাটি ক্ষয় ৰোধ, অৰ্থনৈতিক জীৱিকা বৰ্তাই ৰখা আৰু সৌন্দৰ্য্যবোধৰ কাৰণে MCLৰ চাৰিওকাষে গ্ৰীন বেল্ট কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ পৰামৰ্শমতে হব। কোম্পানীয়ে ইয়াৰ নতুন ইউনিটটো 14400 sq.m. মাটিত স্থাপন কৰিবলৈ প্ৰস্তাব আগবঢ়াইছে।

নতুন ইউনিটটোৰ বাবে মাটি ব্যৱহাৰৰ শৈলী -

ক)তৈয়াৰকৰণ- 1100 sq.m.

খ)ষ্টক য়াৰ্ড,বাট-পথ- 2400 sq.m.

গ)মুঠ প্লেণ্টটোৰ বাবে গ্ৰীন বেল্ট হব- 10900 sq.m.

## ৫.৪ প্ৰকল্পৰ পিছৰ নিৰীক্ষণ

প্ৰকল্পৰ কৰ্মকৰ্তাই সাৱধানতা আৰু পৰিৱেশ সম্বন্ধীয় কোষ (Safety And Environmental Cell) স্থাপন কৰিবলৈ আচঁনি প্ৰস্তুত কৰিছে যিটোত এজন নিপুণ লোকে গুৰি ধৰিব, তেওঁ পোনপটীয়াকৈ দলটোৰ মূখ্যজনক জনাব। ই কোষে প্ৰকল্পৰ সাৱধনতা আৰু পৰিৱেশ সম্বন্ধীয় কামকাজসমূহ নিৰীক্ষণ কৰিব।

MCLৰ কৰ্মকৰ্তাই অতিকমেও মাহেকত এবাৰকৈ এমবিয়েণ্ট এয়াৰ কোৱালিটী মনিটৰিং কৰিব । MCLৰ মূখ্য চৌহদৰ ভিতৰত বতাহৰ দিশ, গতি, তাপমান আৰু বৰষুণৰ মাত্ৰা আদিৰ বাবে এটা বতৰৰ ষ্টেচন বহুৱাব। ষ্টেক এমছিন মনিটৰিংও মাহেকত এবাৰকৈ কৰা হব।

| ক্ৰমিক নং | বিষয় | টকা (লাখত) |
|---|---|---|
| **মূলধন খৰচঃ** | | |
| ১ | বায়ু প্ৰদূষণ নিয়ন্ত্ৰণ যন্ত্ৰপাতি যেনে- ষ্টেকৰ সৈতে আই ডি ফেন, বেগ ফিল্টাৰ চিমেন্টৰ সৈতে সংযুক্ত এচ, ফ্লাই এচ্ আৰু ফাইবাৰ হেণ্ডলিং চিষ্টেম (মুখ্য সঁজুলী) । | ১৫.০০ |
| ৩ | ঘৰুৱা মলিয়ন পানী কাৰণে চিৱেজ্ ট্ৰিটমেন্ট | ২.০০ |
| ৪ | উৎসত ইমিচন মনিটৰিং সঁজুলী আৰু (চৌপাশৰ এম্বিয়েন্ট এয়াৰ কুৱালিটী) আৰু পৰীক্ষাগাৰ | ৫.০০ |
| ৫ | গ্ৰীণ বেল্ট ডেভেলপ্মেন্ট | ৩.০০ |
| ৬ | পৰিৱেশ কোষ আৰু পৰিৱেশ সম্বন্ধীয় নিৰীক্ষণৰ প্ৰতিষ্ঠা | ৫.০০ |
| | **মুঠ মূলধন খৰচ** | **৩০.০০** |
| **ৰেকাৰিং খৰচ** | | |
| ৮ | এনভাইৰণমেন্টেল মেনেজ্মেন্ট কোষ আৰু পৰিৱেশ নিয়ন্ত্ৰণৰ ব্যৱস্থা ওপৰত ৰেকাৰিং খৰচ | ৪.০০ |

## প্ৰস্তাৱিত ৰেলফায়াৰ আঁচনিৰ বাজেট

| ক্ৰমিক নং | বিষয় | বিনিয়োগ (টকা লাখত) |
|---|---|---|
| ১ | স্কুল আৰু শিক্ষা | ১.০০ |
| ২ | স্বাস্থ্য সেৱা | ১.০০ |
| ৩ | বাটপথৰ উন্নতি | ১.০০ |
| ৪ | সামাজিক উন্নয়ন | ১.০০ |
| ৫ | আত্ম-সহায়ক গোটৰ সহায় | ১.০০ |
| মুঠ | | ৫.০০ |

## সাৰাংশ আৰু সামৰণি

প্ৰদেশ আৰু কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে ধাৰ্য্য কৰা ষ্টেণ্ডাৰ্ডৰ মতে MCLয়ে ইকো ফ্ৰেণ্ডলি ঔদ্যোগীকৰণৰ ধাৰণাৰ ওপৰত প্ৰচুৰ বিশ্বাস কৰে । পৰিৱেশৰ লাভজনক কামকাজৰ বাহিৰেও অঞ্চলটোৰ মুঠ অৰ্থ সামাজিক দিশৰ উন্নতিৰ বাবে বিভিন্ন অৰ্থ সামাজিক উন্নয়নৰ কামকাজ হাতত লৈছে ।

সেইবাবে প্ৰকল্পটোৱে পৰিৱেশ সম্বন্ধীয় ক্লীয়াৰেঞ্চৰ সন্মতি পাব বুলি আশা কৰিব পাৰি ।

*****